# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-07-2025
**Time :** 1715 HRS

# ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - -**

স্বচ্ছ সৰ্বেক্ষণ ২০২৪-২৫ বৰ্ষৰ সমীক্ষা অনুসৰি গুৱাহাটী উত্তৰ-পূব ভাৰতৰ আটাইতকৈ পৰিষ্কাৰ ৰাজধানী চহৰ হিচাপে পৰিগণিত হৈছে। সমীক্ষাত গুৱাহাটী চহৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ **প্ৰতিশ্ৰুতিসম্পন্ন স্বচ্ছ চহৰ** বঁটা লাভ কৰিছে। ৩ লাখৰ পৰা ১০ লাখ জনসংখ্যাৰ চহৰলৈ আগবঢ়োৱা এই সন্মানৰ তালিকাত গুৱাহাটী চহৰে ৪৪ সংখ্যক স্থান লাভ কৰিছে। অনাময় ব্যৱস্থা আৰু আৱৰ্জনামুক্ত চহৰৰ ক্ষেত্ৰত গুৱাহাটীয়ে প্ৰমাণপত্ৰ লাভ কৰে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত স্বচ্ছ সৰ্বেক্ষণ ২০২৪-২৫ বঁটা প্ৰদান অনুষ্ঠানত অংশ লৈ এই বঁটাসমূহ গ্ৰহণ কৰে। গুৱাহাটীবাসী সুসংগঠিত পৰিশ্ৰম, প্ৰতিশ্ৰুতি আৰু সচেতনতাৰ এয়া প্ৰতিফলন বুলি শ্ৰীশৰণীয়াই মন্তব্য কৰে। এই বঁটাই ভৱিষ্যতে এখন স্বচ্ছ, সেউজ গুৱাহাটী চহৰ গঢ়ি তোলাৰ অনুপ্ৰেৰণা যোগাই তুলিব তেওঁ আশা প্ৰকাশ কৰে। বঁটাসমূহ গ্ৰহণ কৰাৰ অন্তত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়লৈ ধন্যবাদ জ্ঞাপন কৰে। গুৱাহাটীক স্বচ্ছ আৰু পৰিষ্কাৰ চহৰ হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ এয়া স্বীকৃতি বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত উল্লেখ কৰে। গুৱাহাটীকে ধৰি অসমৰ প্ৰতিটো অঞ্চলতে এনে যাত্ৰাত সামৰি লোৱা হ’ব বুলি তেওঁ কয়।

০০০০০

উচ্ছেদৰ সময়ত কোনো লোকে আৰক্ষীক আক্ৰমণ কৰিলে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ’ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী আজাৰাত মন্তব্য কৰে। তেওঁ কয়, যে আৰক্ষীক আক্ৰমণ কৰা উচ্ছেদিতৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হ’ব। গোৱালপাৰাৰ পাইকানত আৰক্ষীক একাংশ উচ্ছেদিত লোকে আক্ৰমণ কৰা সন্দৰ্ভত তেওঁ এইদৰে কয়। উচ্ছেদৰ পাছত পাইকান সংৰক্ষিত বনাঞ্চলত গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে বুলিও তেওঁ কয়। এনে গছপুলি ৰোপণৰ জৰিয়তে ভূমিসমূহ বনাঞ্চললৈ ৰূপান্তৰ কৰা হ’ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কেওটপাৰাৰ মনসা দেৱী মন্দিৰত উপস্থিত হৈ ৰাজ্যবাসীৰ কল্যাণাৰ্থে দেৱীৰ চৰণত সেৱা আগবঢ়ায়। তেওঁ মন্দিৰ চৌহদ পৰিদৰ্শন কৰাৰ লগতে স্থানীয় লোকৰ সৈতে মত বিনিময় কৰে।

০০০০০

সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা সোমবাৰে আৰম্ভ হ’ব। ২১ আগষ্টলৈ চলিবলগীয়া এই অধিৱেশনত ৮ খন নতুন বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ভৌগোলিক দিশৰ পৰা ঐতিহ্যপূৰ্ণ ক্ষেত্ৰসমূহ সংৰক্ষণৰ বাবে এখন বিধেয়ক উত্থাপন কৰা হ’ব। তদুপৰি আয়কৰ বিধেয়ক ২০২৫, খনি আৰু খনিজ পদাৰ্থ উন্নয়ন আৰু নিয়ামক সংশোধনী বিধেয়কো এই অধিৱেশনত উত্থাপন কৰা হ’ব। এই অধিৱেশনত অপাৰেচন সিন্দূৰ আৰু নিৰ্বাচন আয়োগৰ বিশেষ সংহত ভোটাৰ তালিকা সংশোধনী সন্দৰ্ভত

বিৰোধী পক্ষই শাসনাধিস্থ দলক প্ৰশ্ন কৰাৰ সম্ভাৱনা আছে। অধিৱেশনৰ পূৰ্বে চৰকাৰে অহা দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান জনাইছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ বাবে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰিব। এই অধিৱেশনতে চৰকাৰে মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে সদনত অনুমতি বিচাৰিব।

ooooo

মৰিগাঁও জিলা পৰিষদৰ উদ্যোগত আৰু জাগীৰোড গাঁও পঞ্চায়তৰ সহযোগত জাগীৰোডৰ সৌন্দৰ্য বৰ্দ্ধনৰ বাবে আজি ১০০ জোপা গছপুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই বকুল আৰু কৃষ্ণচূড়াৰ পুলি ৰোপণ কৰি এই কাৰ্যসূচীৰ উদ্বোধন কৰে। তেওঁ লগতে পৰিৱেশ স্বচ্ছ কৰি ৰখাৰ বাবে আৱৰ্জনা পেলাবলৈ তিনিখন বাহন মুকলি কৰে। জাগীৰোড পঞ্চায়তৰ উপৰি দেওশাল আৰু পালিগুৰি গাঁও পঞ্চায়তলৈ এই বাহনসমূহ প্ৰেৰণ কৰা হয়। অনুষ্ঠানত তেওঁ জনসাধাৰণক জাগীৰোড নগৰখনক পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখি সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ আহ্বান জনায়।

ooooo

ঝাৰখণ্ডৰ বোকাৰো জিলাত সুৰক্ষা বাহিনী আৰু নক্সালবাদীৰ মাজত হোৱা সংঘৰ্ষত নিহত কোকৰাঝাৰৰ জোৱান প্ৰাণেশ্বৰ কোচৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। জোৱানগৰাকীৰ শেষকৃত্যত অঞ্চলটোৰ কেইবাগৰাকীও লোকে অংশ লৈ ছহিদগৰাকীলৈ শ্ৰদ্ধা জনায়। জিলাখনৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই কালি জোৱানগৰাকীৰ বাসগৃহত উপস্থিত হৈ শোক সন্তপ্ত পৰিয়ালক সমবেদনা জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ নীতি অনুসৰি পৰিয়ালটোক ৫০ লাখ টকাৰ সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে। তদুপৰি ৰাজ্য চৰকাৰৰ তৃতীয় নাইবা চতুৰ্থ বৰ্গৰ পদত পৰিয়ালটোৰ এগৰাকী সদস্যক নিযুক্তি দিয়া হ'ব বুলি তেওঁ কয়।

ooooo

গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত বসবাস কৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা হ'ব বুলি  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতেই সৰুপথাৰ সমজিলা প্ৰশাসন আৰু বন বিভাগ তৎপৰ হৈ পৰিছে। ইতিমধ্যে ড্ৰোণৰ সহায়ত সীমান্ত এলেকাত স্থানীয় প্ৰশাসন, চি আৰ পি এফ আৰু বন বিভাগৰ এটা দলে জৰীপ আৰম্ভ কৰিছে। উল্লেখযোগ্য যে উৰিয়ামঘাটৰ প্ৰায় ৩ হাজাৰৰো অধিক বনাঞ্চলৰ ভূমি দখলকাৰীৰ কবলত থকাৰ তথ্য পোৱা গৈছে। অসম-নাগালেণ্ড সীমান্তৰ সোণাৰী বিল, পিঠাঘাট, খেৰবাৰী, দয়ালপুৰ, বিদ্যাপুৰ আদি অঞ্চল অনুপ্ৰবেশকাৰীৰ দখলত আছে। যিকোনো মুহূৰ্ততে সীমান্ত এলেকাত উচ্ছেদ অভিযান চলিব পাৰে বুলি বিভাগীয় সূত্ৰত প্ৰকাশ পাইছে।

ooooo

সমাপ্ত